অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
কৰ্ম মোৰ সংস্কৃতি
☏: 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : অজাবি/০০৯/২৪/২০২৩-২৪
Ref :

তাৰিখ : ১০-১২-২০২৩
Date :

# অসম জাতীয় বিদ্যালয়ত 'ছহিদ দিৱস' পালন

**নুনমাটি, গুৱাহাটী, ১০ ডিচেম্বৰ ঃ** অসম আন্দোলনৰ প্ৰথমগৰাকী ছহিদ খৰ্গেশ্বৰ তালুকদাৰ তথা এই আন্দোলনত প্ৰাণ আহুতি দিয়া ৮৫৫ জন ছহিদক সুঁৱৰি আজি অসম জাতীয় বিদ্যালয়ত 'ছহিদ দিৱস' পালন কৰা হয়। এই উপলক্ষে আয়োজন কৰা অনুষ্ঠানৰ আৰম্ভণিতে ছহিদ তৰ্পণ কৰে বিদ্যালয়ৰ সচিব ডা° নাৰায়ণ শৰ্মাই। বিদ্যালয়ৰ ইংৰাজী বিভাগৰ জ্যেষ্ঠ শিক্ষক জয়ন্ত ডেকাই ১৯৭৯ চনৰ আজিৰ দিনটোতে প্ৰাণ বিসৰ্জন দিয়া অসম আন্দোলনৰ ছহিদ খৰ্গেশ্বৰ তালুকদাৰৰ কৰ্ম সম্পৰ্কে আলোকপাত কৰাৰ লগতে অসম আন্দোলনৰ বিভিন্ন দিশ সম্পৰ্কে বক্তৃতা আগবঢ়ায়। বিদ্যালয়ৰ শৈক্ষিক বিষয়া তথা অসম আন্দোলনৰ সক্ৰিয় কৰ্মী ৰোহিণী কুমাৰ গোস্বামীয়ে ঐতিহাসিক অসম আন্দোলনৰ প্ৰেক্ষাপট সম্পৰ্কে বক্তৃতা আগবঢ়োৱাৰ লগতে অসম চুক্তিৰ বিভিন্ন দফাসমূহ আজিলৈকে কাৰ্য্যকৰী নোহোৱাৰ বাবে আক্ষেপ প্ৰকাশ কৰে। অনুষ্ঠানটোত বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে দেশপ্ৰেমমূলক গীত পৰিৱেশন কৰে। আজিৰ অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ শিক্ষক নৱজিত বৰুৱাই। 'ছহিদ দিৱস' অনুষ্ঠানটোৰ আহ্বায়কৰ দায়িত্বত আছিল বিদ্যালয়ৰ বিজ্ঞান বিভাগৰ শিক্ষয়িত্ৰী তুলিকা দত্ত।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়